Total No. of printed pages = 5

**4 (Sem-3) FASM-II**

**2018**

**ASSAMESE**

**(Functional MIL-II)**

Full Marks – 80

Pass Marks – 24

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। উত্তৰ দিয়া ঃ ১×৫=৫

(ক) ইংলণ্ড দেশ পুতলে কিমান ?

(খ) কাক ভগনীয়া ৰজা বোলা হয় ?

(গ) 'ছিঃ এনে মানুহৰ লগত কোনে বিদেশলৈ যায়।' —এই কথাষাৰ কোনে কৈছিল ?

(ঘ) যি শিক্ষাই নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পৰা শক্তিৰ সৃষ্টি নকৰে সেই শিক্ষা প্ৰকৃত শিক্ষা নামৰ যোগ্য হয়নে ?

(ঙ) পৰকো কিহৰ ওপৰত থিয় হ'ব পাৰিবৰ সুবিধা দিয়া উচিত ?

[Turn over

২। অতি চমুকৈ বুজাই লিখা ঃ ২×৫=১০

(ক) ইংলণ্ড দেশৰ ধনৱন্ত সকলে কাৰ কাৰণে কিমান পঢ়াশালি পাতিছে ?

(খ) লণ্ডন নগৰৰ ৰাস্তাবোৰ কেনেকুৱা, বুজাই লিখা।

(গ) জ্ঞান কেইবিধ আৰু কি কি ?

(ঘ) মধ্যস্থজনক লৈ বহু সময়ত কেনেধৰণৰ সমস্যা হয়, বুজাই লিখা।

(ঙ) অসম এৰি যাবৰ সময়ত ৰামসিংহই কি কৈ গ'ল লিখা।

৩। চমুকৈ বুজাই লিখা। (যি কোনো **চাৰিটা**) ঃ

৫×৪=২০

(ক) "মোৰ একোটা মানুহ একোটা হাতী, আজি মই তেনে মানুহ দহ হাজাৰ হেৰুৱালোঁ।"—এই কথাখিনি কোনে কি প্ৰসঙ্গত কৈছিল, বুজাই লিখা।

(খ) অগ্নি, সৰ্প আৰু প্ৰলোভন– এই তিনি একে শ্ৰেণীৰে বিষাক্ত জীৱ। —উক্ত কথাফাকি 'শৰাইঘাট আছে, শৰাইঘাট নাই' প্ৰবন্ধটিৰ মাজেৰে যুক্তিযুক্ততা বিচাৰ কৰা।

(গ) 'নিজৰ বুদ্ধি শিলৰ খুটি' হয়, কিন্তু সেই বুদ্ধিটো মার্জিত, সংস্কৃত আৰু শোধিত নহ'লে মহা বিপদ। —উক্ত কথাযাৰ 'নিজৰ ভৰিৰ ওপৰত থিয় হোৱা' নামৰ প্ৰবন্ধটিৰ আলমত বিচাৰ কৰা।

(ঘ) 'নিজৰ ভৰিৰ ওপৰত থিয় হোৱা' নামৰ পাঠটিত কেনে লোকক সৌভাগ্যবান বুলি কোৱা হৈছে, বুজাই লিখা।

(ঙ) "অনভ্যাসে হত বিদ্যা" কথাশাৰীৰ সত্যাসত্য নিৰূপণ কৰা।

(চ) "এই দেস যি দৰৰ ইংলণ্ড দেস সেই দৰৰ নহই আৰু আটাই কথাতে লৰ।" 'ইংলণ্ডৰ বিৱৰণ' পাঠটিৰ আধাৰত বুজাই লিখা।

(ছ) কোৱামৃদ্ধা হাজৰিকাই নাচোনৰ সহায়েৰে মোগলৰ হাতত বন্দী অৱস্থাৰ পৰা কেনেকৈ মুক্ত হৈছিল বুজাই লিখা।

৪। অসমীয়াসকল ইংৰাজতকৈ পিছপৰা জাতি হোৱাৰ মূল কাৰণকেইটা কি কি আলোচনা কৰা। ১০

নাইবা

শৰাইঘাটৰ ৰণৰ গৌৰৱপূৰ্ণ মহিমামণ্ডিত ফল লাভ কৰাৰ ক্ষেত্ৰত কোনবোৰ দিশ প্ৰধানকৈ জড়িত হৈ আছে ? 'শৰাইঘাট আছে, শৰাইঘাট নাই' পাঠটিৰ আধাৰত আলোচনা কৰা।

৫। তলত দিয়া বাণিজ্যিক লেন-দেন সম্পৰ্কীয় শব্দবোৰৰ অৰ্থসহ একোটি চমু টোকা লিখা। (যি কোনো পাঁচটা) ৩×৫=১৫

Power of Attorney, Balance Sheet, Quorum, Bonus, Working Capital, Demand Draft, Rebate, Subsidy.

৬। তলত দিয়া ধৰণে এখন পত্ৰ লিখা ঃ (পত্ৰত তোমাৰ নিজৰ নাম, ঠিকনা ব্যৱহাৰ নকৰি অভয় কুমাৰ বৰ্মন, জিলা কামৰূপ, অসম লিখিবা)। ১০

(ক) তোমাৰ এটা বাঁহ, বেতৰ উদ্যোগ আছে। উদ্যোগটি সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় সহায় বিচাৰি ক্ষুদ্ৰ উদ্যোগ বিভাগৰ সঞ্চালকলৈ এখন আবেদন পত্ৰ লিখা।

(খ) তুমি এটা কম্পিউটাৰ বিক্ৰী প্ৰতিষ্ঠান খুলিব বিচাৰিছা কিন্তু তোমাৰ অৰ্থৰ অভাৱ। তোমাৰ প্ৰয়োজনীয় মূলধন ঋণ হিচাপে বিচাৰি এটা ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা ব্যৱস্থাপকলৈ এখন আবেদন পত্ৰ লিখা।

৭। সাৰাংশ লিখা ঃ ১০

মহামুনি বাল্মীকি জগতৰ আদি কবি আৰু মহাকাব্য ৰামায়ণো জগতৰ আদি কাব্য আৰু জগতৰ আদি কবিতা "মা নিষাদ" ইত্যাদি পদফাকি, আৰু এই সকলোবোৰ এক কৰুণ ৰসতে আৰব্ধ। এই যুক্তিবোৰ বহুতে অদ্ভুত বুলি

ভাবিব পাৰো। কিন্তু এই অদ্ভুতত্ব আমাৰ যুক্তিত নহয়, জগতৰ সাহিত্য বুৰঞ্জীতহে। প্ৰতীচ্য জগতৰ সাহিত্যৰ উন্মেষ হয় কবিগুৰু হোমাৰৰ ইলিয়াডত আৰু ইলিয়াড মহাকাব্য এক কৰুণ ৰসতেই লিখা নহয়, এনেকি এক কৰুণ ৰসাত্মক বিষয় লৈ লিখা। তাৰ পাছত ইউৰোপৰ সাহিত্যই মধ্যযুগৰ আন্ধাৰত আধা মৰা হৈ থাকি নবীন যুগৰ আদিতে গভীৰ মৰ্মভেদী, হৃদয় বিদাৰক আৰ্তস্বৰেৰে ইটালীৰ মহাকবি ডান্টেৰ "Divine Comedy" নামক মহাকাব্যত নিজৰ পুনৰ্জন্ম জগতত জ্ঞাপন কৰিলে। ডান্টেৰ মহাকাব্য শোকতেই থকা নাই, ধুমুহাৰ দৰে সমস্ত জগততে বিয়পি পৰিছে। এই ভীষণ ৰসতেই সাহিত্যৰ জীৱন। কেতিয়াবা উত্তাল তৰঙ্গৰ দৰে, কেতিয়াবা কুলু-প্ৰৱাহিনী স্ৰোতৰ দৰে নানা মূৰ্তিৰে ই সাহিত্যত প্ৰকাশ পায়।